**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-APR-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

---

আজি পহিলা ব'হাগ। ৰঙালী বিহুৰ দ্বিতীয় দিনটো আজি মানুহ বিহু হিচাপে পালনৰ বাবে ৰাজ্যজুৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। ৰঙালীৰ পদূলিত অসমীয়া নৱবৰ্ষক আদৰিবৰ বাবে মাহ, হালধিৰে গা ধুই অসমবাসী সাজু হৈছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস ল'ব। পিঠা-পনা, জা জলপানেৰে অতিথি আপ্যায়নৰ বাবে প্ৰতিগৰাকী অসমীয়া উৎসাহেৰে সাজু হৈছে। ৭ বিহুলৈ চলিবলগীয়া এই উৎসৱমুখৰ সময়ৰ আনন্দ ভগাই ল'বলৈ জনসাধাৰণৰ উৎসাহেৰে সাজু হৈছে। বিহুৰ বাবে প্ৰয়োজনীয় বিবিধ সামগ্ৰীৰে বজাৰসমূহ উভৈনদী হৈ পৰিছে। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। কালি গুৱাহাটীৰ জজ খেলপথাৰত সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ মুকলি বিহু কাৰ্যসূচী ৰূপায়ণ কৰে। মাজুলীৰ সত্ৰসমূহৰ লগতে উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গোলাঘাট জিলাত মানুহ বিহু পালন সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈ-

**-ভইচ-**

শিৱসাগৰ জিলাত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু ৰংপুৰবাসীৰ সহযোগত ৰংঘৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু পালন কৰিবলৈ লোৱা হৈছে। আজি পুৱা বিহুৰ পতাৰা উত্তোলনেৰে উৎসৱৰ পাতনি মেলা হ'ব। পুৱা ১০ বজাত প্ৰতীকি স্বৰ্গদেউক লৈ ঐতিহাসিক তলাতল ঘৰৰ পৰা ৰংঘৰ বাকৰিলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সাংস্কৃতিক অনুষ্ঠানত বিহু হুচৰি, টাই বিহু, গাভৰু বিহু দল আৰু ১০০ গৰাকী ঢুলীয়া-নাচনীয়ে বিহু নাচ প্ৰদৰ্শন কৰাৰ লগতে জনপ্ৰিয় শিল্পীয়ে গীত পৰিৱেশন কৰিব। অনুষ্ঠানত ৰংঘৰৰ ৰংশিঙা শীৰ্ষক স্মৃতিগ্ৰন্থ অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে উন্মোচন কৰিব। লোকসংস্কৃতিৰ সাধক দিজেন গগৈক এই অনুষ্ঠানতে সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

কামৰূপ জিলাতো বিগত বছৰৰ দৰে পৰম্পৰা ৰক্ষা কৰি ৰঙালী বিহুৰ আয়োজন কৰা হৈছে। ৰঙিয়া মহকুমা ৰঙালী বিহু সন্মিলনীয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি বিহু, জ্যেষ্ঠজনক সেৱা আৰু কণিষ্ঠজনক আশীৰ্বাদ প্ৰদান, জেং বিহু আদিৰ আয়োজন কৰিছে। পূব ৰঙিয়া প্ৰগতি সংঘতো বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। ইপিনে অসমীয়া নতুন বছৰৰ প্ৰথম দিন উপলক্ষে আজি বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত সিদ্ধিদাতা গণেশ পূজাৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি ডেকা-বুঢ়া সকলোৱে মিলি হুঁচৰি গোৱা পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে। বিভিন্ন অঞ্চলত বিহু উপলক্ষে পৰম্পৰাগত খেল-ধেমালি, বিহুনাচ, ঢোলবাদন, পেঁপাবাদন, পিঠা-পনা প্ৰস্তুত কৰা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাই মুকলি বিহু উদযাপনৰ সৈতে সংগতি ৰাখি আজি বিশিষ্ট সমাজসেৱক তথা শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামীক পাঠশালা বঁটাৰে সন্মানিত কৰিব।

০০০০০০

অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটো **নিজৰ দিন** হিচাপে উদযাপন কৰিব। সভাৰ প্ৰধান সম্পাদক দেবজিৎ বৰাই প্ৰকাশ কৰা মতে ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা

জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজাৰ ভিতৰত সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰিব। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ উৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হ'ব। অসম সাহিত্য সভাৰ উদ্যোগত আজি ব'হাগৰ পহিলা দিনটোত ১৪৩৩ ভাস্কৰাব্দলৈ আদৰণি আৰু ভাস্কৰাব্দ সূচনা দিৱস শীৰ্ষক এটা অনুষ্ঠানৰো আয়োজন কৰা হৈছে। গুৱাহাটীৰ আমবাৰীস্থিত সংগীতাচাৰ্য লক্ষ্মীৰাম সদনত এই অনুষ্ঠানটি আয়োজন কৰা হৈছে।

০০০০০০

বড়ো জনগোষ্ঠীৰ লোকসকলে কালিৰে পৰা বৈশাগু উৎসৱ পালন কৰিছে। এই উপলক্ষে আজি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব।

০০০০০০

**সমাপ্ত**